# নববৰ্ষৰ বাবে শিক্ষা

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

২০১৪ বৰ্ষটো ভাৰতৰ ৰাজনীতি আৰু চৰকাৰৰ বাবে পাৰ্থক্যগত হ'বনে ? ভাৰতীয় লোকৰ আশা বৰ্ত্তমান উচ্চ পৰ্য্যয়ত । এতিয়া কেৱল ভাৰতৰ মধ্যবিত্ত শ্ৰেণীটোৱেই শক্তিশালী মতামত গঠনকাৰী নহয় । ইয়াৰ লগতে বৰ্ত্তমান আন এটা শ্ৰেণীও গঢ়ি উঠিছে যাৰ আশাসমূহ সম্পূৰ্ণৰূপে বেলেগ । তেওঁলোকে ভাৰতীয় ৰাজনীতি, ব্যক্তিৰ ৰাজহুৱা জীৱন আৰু চৰকাৰৰ গুণাৱলীক বিচাৰ কৰিব'লৈ গৈ আছে । তেওঁলোকে চৰকাৰক ভোট দিব আৰু যদি চৰকাৰৰ জনপ্ৰিয়তা তেওঁলোকে বিচৰা কাৰকৰ ভিত্তিত নহয় তেন্তে তেনে চৰকাৰক ভোট নিদিয়ে ।

কিছুদিন পূৰ্বে অনুষ্ঠিত হোৱা ৪ খন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফলে উপৰোক্ত বিষয়টো প্ৰতিষ্ঠা কৰিছে । বি জে পি ৰ মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰীযুত শিৱৰাজ সিং চৌহানে তেওঁৰ কাৰ্য্যক্ৰমণিকাৰ বাবে তৃতীয় বাৰৰ বাবে বিজয়ী হ'ল, আচল অৰ্থত তেওঁৰ ব্যক্তিগত সামৰ্থৰ বাবেৰে জয়ী হ'ল । নিৰ্বাচনৰ সময়ত দেখা গৈছিল যে তেওঁ বি জে পি তকৈও অধিক গ্ৰহণযোগ্য আছিল । ডঃ ৰমন সিঙৰ ব্যক্তিগত বিশ্বাসযোগ্যতাৰ লগতে ৰাজহুৱা বিতৰণ প্ৰণালীৰ সাফল্যই বিজেপি ক নিৰ্বাচনত জয়লাভ কৰোৱাত মুখ্য ভূমিকা পালন কৰিছিল । এই দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে জনসাধাৰণলৈ ভালদৰে সেৱা আগবঢ়াইছিল । ৰাজস্থানত কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰৰ বিভিন্ন মন্ত্ৰী আৰু বহুতো এম এল এ ৰ দুৰ্নীতিগ্ৰস্ততাৰ অভিযোগেই তেওঁলোকক শেষ কৰি পেলালে । এই সকলো ৰাজ্যৰ জনসাধাৰণৰ স্পষ্ট মত আছিল যে সামাজিক আৰু ৰাজনীতিৰ বিষয়সমূহ গুৰুত্বপূৰ্ণ হোৱাৰ লগতে তেওঁলোকৰ বিশ্বাসযোগ্যতাই আটাইতকৈ গুৰুত্বপূৰ্ণ স্থান লাভ কৰিব ।

দিল্লীত কংগ্ৰেছ চৰকাৰৰ বিশ্বাসযোগ্যতা হ্ৰাস পাইছে । বিগত ৩ বৰ্ষৰ পৰা দিল্লী দুৰ্নীতিমুক্ত অভিযানৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল । এই ক্ষেত্ৰত কংগ্ৰেছ বেয়াকৈ পৰাজিত হৈছে । সেইবাবে এইয়া নিশ্চিত আছিল যে কংগ্ৰেছ পৰাস্ত হব'ই । সাধাৰণতে বি জে পি য়ে এই নিৰ্বাচনত সকলো স্থান দখল কৰিব'লৈ সক্ষম হ'লহেতেঁন । যি কি নহওক, জনসাধাৰণৰ এটি অংশই বিকল্প ৰাজনীতিৰ কৌশলৰ প্ৰতি আকৰ্ষিত হৈছিল ।

এইয়াই মূল কাৰণ আছিল যাৰ বাবে আম আদমী পাৰ্টিয়ে যথেষ্ট সংখ্যক আসন লাভ কৰিব'লৈ সক্ষম হৈছিল । যদিও বি জে পি য়ে ভোটৰ সংখ্যা আৰু স্থান হিচাপে বৃহৎ দ'ল হিচাপে থিয় দিছিল, কিন্ত দিল্লীৰ নিৰ্বাচনৰ ফলফলে বি জে পি ক আত্মমন্থন কৰাৰ কাৰণ দেখুৱাইছে । তেওঁলোকৰ ৰাজ্যিক নেতৃত্বৰ লগতে ব্যক্তিগত প্ৰতিনিধিয়েও জনপ্ৰিয় আশানুৰূপ কাৰ্য্য কৰিব লাগিব । ডঃ হৰ্ষবৰ্ধনক দিল্লীত দ'লৰ নেতা হিচাপে পৰিগণিত কৰাটো সঠিক পদক্ষেপ আছিল ।বি জে পি য়ে সিদ্ধান্ত লৈছে যে ৰাষ্ট্ৰীয় পৰ্য্যায়ত ১০ কোটি গৃহৰ ওচৰলৈ যাব আৰু দ'লৰ নিৰ্বাচনীৰ বাবে কম কম পৰিমাণৰ বৰঙনি একগোট কৰিব । তথাপিও দিল্লীৰ বি জে পি ৰ দ'লে নিজৰ বিশ্বাসযোগ্যতা মজবুত কৰাৰ বাবে বৃহৎ পৰ্য্যায়ত কাম কৰিব লাগিব ।

যদি বিশ্বাসযোগ্যতাই নতুন বছৰৰ বাবে ৰাজনৈতিক বাৰ্ত্তা হয় তেন্তে কংগ্ৰেছে নিজৰ ভুলৰ পৰা অলপো শিক্ষা লাভ কৰা নাই । ৪ খন ৰাজ্যত বেয়াকৈ পৰাজিত হোৱাৰ পাছতো নতুন বৰ্ষৰ আৰম্ভনি ২টা বৃহৎ কেলেংকাৰী ঢকাৰ পৰাহে আৰম্ভ কৰিছে । আদৰ্শ চ'ছাইটি কেলেংকাৰীৰ বাবে গঠিত কমিচন অফ ইন্কুৱেৰিৰ প্ৰতিবেদন য'ত বহুতো কংগ্ৰেছ নেতাৰ নাম অন্তৰ্ভূক্ত হৈ আছে, এই প্ৰতিবেদনক মহাৰাষ্ট্ৰৰ চৰকাৰে অমান্য কৰিছে । এনেধৰণৰ কাৰ্য্যই কেৱল জনসাধাৰণৰ মন্তব্য, নিকা আৰু বিশ্বাসযোগ্য ৰাজনীতিক ফেপেৰি পাতিহে ধৰিব । যদিও হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰীযুত বীৰভদ্ৰ সিঙৰ বিৰুদ্ধে দুৰ্নীতি, অনুচিত ব্যৱহাৰ আৰু নিজৰ স্বাৰ্থৰ বাবে কাম কৰাৰ গম্ভীৰ আৰূপ আছে তেনে স্বত্বেও কং গ্ৰেছ দ'লে তেওঁৰ হকে লজ্জাবিহীনভাৱে মাত মতাৰ সিদ্ধান্ত লৈছে । ই নৈতিকতাহীনতাৰ চৰম পৰ্য্যায় যি কেৱল জনমতৰ ক্ষোভহে বৃদ্ধি কৰিব ।

জনসাধাৰণে নিকাভাৱে স্পষ্ট কৰি দিছে যে তেওঁলোকে বিশ্বাসযোগ্যতাৰ ৰাজনীতি বিচাৰে, যিসকলে ইয়াক অৱজ্ঞা কৰে তেওঁলোকে নিজৰ অস্তিত্বৰ প্ৰতি বিপদ চপাব ।